# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 11-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে সৰ্বদলীয় প্ৰতিনিধি দলে বিভিন্ন দেশলৈ গৈ যিদৰে সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগীক দাঙি ধৰিলে তাক লৈ তেওঁ গৌৰৱবোধ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেশৰ বান ব্যৱস্থাপনা প্ৰস্তুতি সন্দৰ্ভত কালি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে চৰকাৰে ২০২৯ চনৰ ভিতৰত ৩ লাখ কোটি টকাৰ প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

৪। অষ্ট্ৰিয়াৰ চহৰ গ্ৰাজৰ এখন বিদ্যালয়ত হোৱা গুলীচালনাৰ ঘটনাত ১০ জন লোকৰ মৃত্যু হোৱাৰ উপৰি ১২ জন লোক আহত হয়। *আৰু*

৫। এ এফ চি এছিয়ান কাপৰ এখন গুৰুত্বপূৰ্ণ কোৱালিফায়াৰত কালি ভাৰতৰ ছিনিয়ৰ পুৰুষ ফুটবল দলটো হংকঙৰ হাতত ০-১ গ'লত পৰাস্ত হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে সৰ্বদলীয় প্ৰতিনিধি দলে বিভিন্ন দেশলৈ গৈ যিদৰে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু অপাৰেচন সিন্দূৰৰ পাছত সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগীক দাঙি ধৰিলে তাক লৈ তেওঁ গৌৰৱবোধ কৰে। শ্ৰীমোদীয়ে বিগত সপ্তাহকেইটাত বিশ্বৰ ৩৩ খন দেশ ভ্ৰমণ কৰা সাংসদ আৰু প্ৰাক্তন কূটনীতিবিদেৰে গঠিত সৰ্বদলীয় প্ৰতিনিধি দলৰ সদস্যসকলক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰতিনিধিসকলে সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ প্ৰয়োজনীয়তা আৰু শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে প্ৰকাশ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে। প্ৰতিনিধি মণ্ডলৰ সদস্যসকলে প্ৰধানমন্ত্ৰীৰ সৈতে তেওঁলোকৰ অভিজ্ঞতাসমূহৰ বিষয়ে আলোচনা কৰে। আমেৰিকা যাত্ৰাৰ নেতৃত্ব দিয়া কংগ্ৰেছ সাংসদ শশী থাৰুৰে ৰাষ্ট্ৰৰ সেৱাৰ সুযোগ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়।

শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেয়েও প্ৰধানমন্ত্ৰী মোদীক ধন্যবাদ জনায়। তেওঁ সন্ত্ৰাসবাদৰ বিৰুদ্ধে দৃঢ়তাৰে ভাৰতৰ যুঁজ আৰু আন্তঃৰাষ্ট্ৰীয় শান্তিৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ক্ষেত্ৰত এই মিত্ৰ দেশসমূহে আগবঢ়োৱা সমৰ্থনৰ বিষয়ে শ্ৰীমোদীক অৱগত কৰে। ইপিনে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰতিনিধি দলক সাক্ষাৎ কৰি তেওঁলোকৰ প্ৰচেষ্টাৰ শলাগ লয়। উল্লেখযোগ্য যে এই সংসদীয় প্ৰতিনিধি দলৰ ভিতৰত চাৰিটাৰ নেতৃত্ব শাসকীয় মিত্ৰজোঁটৰ সাংসদসকলে দিয়াৰ বিপৰীতে কংগ্ৰেছ, ডিএমকে আৰু এনচিপি এছপিৰ একোজনকৈ সাংসদে আন তিনিটা দলৰ নেতৃত্ব দিছিল। বিজেপিৰ ৰবীশংকৰ প্ৰসাদ আৰু বৈজয়ন্ত পাণ্ডা, কংগ্ৰেছৰ শশী থাৰুৰ, জে ডি ইউৰ সঞ্জয় ঝা, শিৱসেনাৰ শ্ৰীকান্ত সিন্দে, ডিএমকেৰ

কানিমুঝি আৰু এনচিপি এছপিৰ সুপ্ৰীয়া ছুলে বিশ্বৰ বিভিন্ন দেশলৈ যাত্ৰা কৰা প্ৰতিনিধিসকলক নেতৃত্ব দিছিল।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেশৰ বান ব্যৱস্থাপনা প্ৰস্তুতি সন্দৰ্ভত কালি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। শ্ৰীশ্বাহে দেশৰ বান প্ৰতিৰোধৰ ক্ষেত্ৰত গ্ৰহণ কৰা দীৰ্ঘম্যাদী ব্যৱস্থা আৰু যোৱা বছৰৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি লোৱা পদক্ষেপসমূহৰ পৰ্যালোচনা কৰে। গৃহ মন্ত্ৰালয়ে এটা বিবৃতিত উল্লেখ কৰা অনুসৰি গৃহমন্ত্ৰীগৰাকীয়ে বান ব্যৱস্থাপনাৰ বাবে সকলোবোৰ সংস্থাই গ্ৰহণ কৰা নব্য প্ৰযুক্তিৰ সন্দৰ্ভত আলোচনা কৰে। তেওঁ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক তৃণমূল পৰ্যায়ত আগতীয়া সতৰ্কতা প্ৰচাৰ কৰাটো নিশ্চিত কৰাৰ বাবে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সৈতে সহযোগিতা ৰাখিবলৈ নিৰ্দেশ দিয়ে। শ্ৰীশ্বাহে লগতে বান নিয়ন্ত্ৰণ আৰু জল ব্যৱস্থাপনাৰ বাবে কেন্দ্ৰীয় সংস্থাসমূহে মহাকাশ প্ৰযুক্তিৰ সৰ্বাধিক ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। বৰ্ধিত নগৰীয়া বানৰ সমস্যাৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নগৰ অঞ্চলত বান নিয়ন্ত্ৰণৰ বাবে যাৱতীয় আৰু সময়োচিত ব্যৱস্থাৰ উপৰি মহানগৰসমূহত বান ব্যৱস্থাপনাৰ বাবে বিস্তৃত আঁচনি প্ৰস্তুত কৰিবলৈ সকলো কেন্দ্ৰীয় সংস্থাক নিৰ্দেশ দিয়ে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে চৰকাৰে ২০২৯ চনৰ ভিতৰত ৩ লাখ কোটি টকাৰ প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। উত্তৰাখণ্ডৰ ডেহৰাডুনত অনুষ্ঠিত **ৰাষ্ট্ৰীয় সুৰক্ষা আৰু সন্ত্ৰাসবাদ** শীৰ্ষক এটা অনুষ্ঠানত ভাগ লৈ শ্ৰীসিঙে কয়, যে সেই সময়লৈ প্ৰতিৰক্ষা খণ্ডত দেশৰ ৰপ্তানি ৫০ হাজাৰ কোটি টকা হ'বগৈ। তেওঁ কয়, যে দেশৰ বাৰ্ষিক প্ৰতিৰক্ষা উৎপাদন ২০১৪ চনৰ ৪০ হাজাৰ কোটিৰ বিপৰীতে বৰ্তমান এক লাখ ৩০ হাজাৰ কোটি অতিক্ৰম কৰিছে। চৰকাৰে এই বছৰত এক লাখ ৭৫ হাজাৰ কোটি টকাৰ প্ৰতিৰক্ষা উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি শ্ৰীসিঙে লগতে উল্লেখ কৰে। সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা আৰু ৰাষ্ট্ৰীয় সুৰক্ষা শক্তিশালী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কৌশলত আলোকপাত কৰি শ্ৰীসিঙে কয়, যে দেশৰ প্ৰতিৰক্ষা খণ্ড আত্মনিৰ্ভৰ ভাৰতৰ অন্যতম শক্তিশালী স্তম্ভ হিচাপে পৰিগণিত হৈছে আৰু অপাৰেচন সিন্দূৰৰ সময়ত ব্যৱহাৰ কৰা যুদ্ধৰ সামগ্ৰীসমূহ ভাৰততেই নিৰ্মাণ কৰা হৈছিল। তেওঁ উল্লেখ কৰে যে ভাৰতে কেৱল ইয়াৰ সীমান্তসমূহক সুৰক্ষা প্ৰদান কৰাই নহয়, বৰং দেশক কৌশলগত, অৰ্থনৈতিক আৰু প্ৰযুক্তিগতভাৱে শক্তিশাৰী কৰিব পৰাকৈ এটা ব্যৱস্থা গঢ়ি তুলিছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে পূৰ্বে বিদেশত নিৰ্মিত প্ৰতিৰক্ষা সামগ্ৰীসমূহৰ ওপৰত দেশ সম্পূৰ্ণৰূপে নিৰ্ভৰশীল আছিল কিন্তু বৰ্তমান এই খণ্ডত আত্মনিৰ্ভৰশীল হোৱাৰ দিশত ভাৰত তীব্ৰ গতিৰে অগ্ৰসৰ হৈছে। প্ৰতিৰক্ষা সামৰ্থ সন্দৰ্ভত শ্ৰীসিঙে কয়, যে সেনাবাহিনীয়ে ব্যৱহাৰ কৰা অত্যাধুনিক মাৰণাস্ত্ৰ, ক্ষেপণাস্ত্ৰ, টেংক আদি দেশতেই নিৰ্মাণ কৰা হৈছে। তদুপৰি অগ্নি, পৃথিৱী আৰু ব্ৰহ্মছৰ দৰে থলুৱাভাৱে নিৰ্মিত ক্ষেপণাস্ত্ৰসমূহ শত্ৰুক উচিত প্ৰত্যুত্তৰ দিবলৈ সাজু হৈ আছে বুলি শ্ৰীসিঙে প্ৰকাশ কৰে।

০০০০০

অষ্ট্ৰিয়াৰ গ্ৰাজ চহৰত কালি এখন বিদ্যালয়ত সংঘটিত এটা গুলীচালনাৰ ঘটনাত ১০ জন লোক নিহত হোৱাৰ লগতে আন ১২ জন আহত হৈছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে, বন্দুকধাৰী ২১ বছৰীয়া প্ৰাক্তন ছাত্ৰজনে গুলীচালনাৰ পাছত বিদ্যালয়খনৰ

শৌচাগাৰত আত্মহত্যা কৰে। স্থানীয় সংবাদ মাধ্যমত প্ৰকাশিত খবৰ অনুসৰি হতাহতসকলৰ ভিতৰত বন্দুকধাৰীসহ সকলো বিদ্যালয়খনৰ শিক্ষাৰ্থী আৰু শিক্ষক। দেশখনৰ আভ্যন্তৰীণ মন্ত্ৰী গেৰহাৰ্ড কাৰ্ণাৰে কয় যে, বন্দুকধাৰীজন বিদ্যালয়খনৰে প্ৰাক্তন ছাত্ৰ আছিল আৰু এই ঘটনাৰ আঁৰৰ কাৰণ বিচাৰি আৰক্ষীৰ অনুসন্ধান অব্যাহত আছে।

০০০০০

বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিজেপিয়ে সমগ্ৰ দেশতে ইয়াৰ ৰাজ্যিক আৰু জিলা মুখ্য কাৰ্যালয়সমূহত কালি সংবাদমেলৰ আয়োজন কৰে। বিজেপিৰ সভাপতি জে পি নাড্ডাই নতুন দিল্লীত এখন সংবাদমেলত ভাগ লৈ বিগত ১১ বছৰত চৰকাৰৰ সাফল্যত আলোকপাত কৰে। এই সংবাদমেলসমূহত নৰেন্দ্ৰ মোদী চৰকাৰৰ নীতি, কেন্দ্ৰীভূত সেৱা, সুশাসন আৰু জনসাধাৰণৰ কল্যাণকামী পদক্ষেপসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। সংবাদমেলত লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে ভাৰতৰ নতুন প্ৰচেষ্টা, দেশৰ অৰ্থনৈতিক বিকাশ, দুৰ্নীতি বিৰোধী প্ৰচেষ্টা আৰু ডিজিটেল ইণ্ডিয়া, মেক ইন ইণ্ডিয়াৰ দৰে পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰা হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে চলিত বৰ্ষৰ শেষলৈ এখন উচ্চাকাংক্ষী আৰু সন্তুলিত ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিৰ প্ৰতি ভাৰতৰ সমৰ্থনৰ কথা ব্যক্ত কৰিছে। বৈদেশিক পৰিক্ৰমা আৰু নিৰাপত্তা নীতিৰ ইউৰোপীয় সংঘৰ উচ্চবৰ্গৰ প্ৰতিনিধি কাজা কাল্লাছৰ সৈতে কালি এখন যুটীয়া সংবাদমেলত ড০ জয়শংকৰে ভাৰত আৰু ইউৰোপীয় সংঘক দুটা গুৰুত্বপূৰ্ণ শক্তি বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতাই ব্ৰুছেলছত প্ৰতিৰক্ষা আৰু সুৰক্ষা, সামুদ্ৰিক নিৰাপত্তা, চাইবাৰ আৰু মহাকাশকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰে।

০০০০০

পীয়ুষ গোৱালে চুইজাৰলেণ্ডৰ ফেডাৰেল কাউন্সিলাৰ গাই পাৰ্মেলিনৰ সৈতে যন্ত্ৰপাতি, বৈদ্যুতিক আৰু ধাতু উদ্যোগৰ সন্দৰ্ভত হোৱা এখন উৎপাদনশীল ব্যৱসায়িক বৈঠকৰ সহ-অধ্যক্ষতা কৰে। বৈঠকৰ অন্তত গোৱালে কয় যে তেওঁলোকে উদ্ভাৱনক উন্নীত কৰা, অংশীদাৰিত্বৰ সুবিধা প্ৰদান কৰা, আৰু যুটীয়া কৰ্মশক্তি প্ৰশিক্ষণৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে দুয়োখন দেশে ভাৰত-ইএফটিএ বাণিজ্যিক চুক্তি কাৰ্যকৰী হোৱাৰ পিছত নতুন বিনিয়োগৰ সুযোগ অন্বেষণ কৰাত গুৰুত্ব আৰোপ কৰিছে। চুইজাৰলেণ্ড আৰু ভাৰতীয় বিনিয়োগক উৎসাহিত কৰাৰ বাবে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত ভাৰতৰ সক্ৰিয় স্থিতিৰ ওপৰত তেওঁ আলোকপাত কৰে। গোৱালে ইনষ্টিটিউট অৱ চাৰ্টাৰ্ড একাউণ্টেণ্টছ অৱ ইণ্ডিয়াৰ ছুইজাৰলেণ্ড শাখাৰ সদস্যসকলকো সাক্ষাৎ কৰে।

০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে ছুইডেনৰ ষ্টকহোমত আন্তঃৰাষ্ট্ৰীয় আই ডি ই এ সন্মিলনত অংশ লোৱাৰ সুযোগতে নিৰ্বাচন ব্যৱস্থাপনা সংস্থাসমূহৰ মুৰব্বীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ইয়াৰ জৰিয়তে নিৰ্বাচন ব্যৱস্থাপনা আৰু গণতান্ত্ৰিক সহযোগিতাৰ ক্ষেত্ৰত ভাৰতৰ দীৰ্ঘদিনীয়া অংশীদাৰিত্বক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। এই দ্বিপাক্ষিক বৈঠকত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কেইবাটাও নিৰ্বাচন ব্যৱস্থাপনা সংস্থাৰ মুৰব্বী তথা শীৰ্ষ বিষয়াসকলৰ সৈতে আন্তঃৰাষ্ট্ৰীয় নিৰ্বাচনী অভিজ্ঞতা আৰু উদ্ভাৱনক সামৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে।

ooooo

এ এফ চি এছিয়ান কাপত কালি সন্ধিয়া ক'লুনত অনুষ্ঠিত এখন কোৱালিফায়াৰ মেচত আয়োজক হংকঙৰ হাতত ভাৰতৰ ছিনিয়ৰ পুৰুষ ফুটবল দলটো ০-১ গ'লত পৰাস্ত হয়। খেলখনত ৯৪ মিনিটত হংকঙৰ ষ্টেফান পেৰেইৰাই এচা গ'ল দি দলটোৰ জয় নিশ্চিত কৰে। এই পৰাজয়ৰ পাছত ২০২৭ চনত ছৌদি আৰৱত হ'বলগীয়া এছিয়ান কাপৰ বাবে ভাৰতৰ যোগ্যতা অৰ্জনৰ সম্ভাৱনা ক্ষীণ হোৱাৰ লগতে ফিফাৰ ৰেংকিঙতো ভাৰত ১৩৩ নম্বৰ স্থানলৈ অৱনমিত হোৱাৰ সম্ভাৱনা আছে। গ্ৰুপ চি পৰ্যায়ৰ আন এখন খেলত ছিংগাপুৰে বাংলাদেশক ২-১ গ'লত পৰাস্ত কৰি শীৰ্ষস্থান দখল কৰাৰ বিপৰীতে হংকং বৰ্তমান তালিকাৰ দ্বিতীয় স্থানত আছে।

ooooo

সমাপ্ত